ইএমআই অফাৰ, বেলেঞ্চ ট্ৰেঞ্চফাৰ আৰু কাৰ্ডৰ বিপৰীতে ঋণ সংক্ৰান্ত নিয়ম আৰু চৰ্তসমূহ।

1) ধনৰ পৰিমাণ, সুদৰ হাৰ, ম্যাদ, প্ৰচেচিং ফিজ আৰু সময়পূৰ্বে সমাপ্তি শুল্ক আদি আপোনাক এই সুবিধা প্ৰদান কৰাৰ সময়ত জনাই দিয়া হব।

2) বেলেঞ্চ ট্ৰেঞ্চফাৰৰ কোনো অফাৰ বা ক্ৰেডিট কাৰ্ডৰ বিপৰীতে ঋণ ইএমআই সুবিধাৰ সৈতে থাকিবও পাৰে বা নেথাকিবও পাৰে।

3) এই সুবিধাসমূহৰ বাবে এটা পৃথক ঋণ একাউন্ট খোলা হব। আপোনাৰ কাৰ্ডৰ বিৱৰণত এনে একাউন্ট নম্বৰৰ উল্লেখ থাকিব। প্ৰতিটো একাউন্টৰ বাবে পৃথকভাবে ধন ভৰিবলৈ আপোনালৈ অনুৰোধ জনোৱা হ'ল। আপোনাৰ বিবিধ কাৰ্ড একাউন্টৰ বাকী ধন যদিহে আপুনি মাত্ৰ এখন চেক / ডিডি-ৰ জৰিয়তে আদায় দিয়ে, তেন্তে আপোনাৰ যিকোনো এটা একাউন্ট নম্বৰত চেক / ডিডি কাটিব আৰু তাৰ পাছফালে সেই ধন বিভিন্ন একাউন্টত কেনেদৰে ভাগ কৰিব লাগিব সেই কথাৰ স্পষ্ট নিৰ্দেশ দিব।

4) যদিহে, আন ধৰণেৰে স্পষ্টৰূপে উল্লেখ নাথাকে, আপোনাৰ ক্ৰেডিট কাৰ্ডৰ বিপৰীতে অনুমোদিত যিকোনো পৰিমাণৰ ঋণ আপোনাৰ ক্ৰেডিট কাৰ্ডৰ সীমাৰ এটা অংশ হব। এনে ক্ষেত্ৰত, ক্ৰেডিট কাৰ্ডৰ বিপৰীতে লোৱা ঋণৰ বাকী ৰোৱা মূলধন পৰ্যন্ত আপোনাৰ ক্ৰেডিট কাৰ্ডৰ সীমা অৱৰোধ কৰি ৰখা হব। যেতিয়া আপুনি আপোনাৰ মাহেকীয়া ইএমআই / প্ৰযোজ্য ধন পৰিশোধ কৰিব, তেতিয়া যি পৰিমাণৰ মূলধন আদায় দিয়া হব, সেই পৰ্যন্ত প্ৰাপ্ত ক্ৰেডিট সীমা বাঢ়ি যাব।

5) আপোনাৰ মাহেকীয়া বিৱৰণত উল্লেখিত 'প্ৰাপ্ত ক্ৰেডিট সীমা-ৰ' হ্ৰাসকৰণত তদুপৰি বেলেঞ্চ ট্ৰেঞ্চফাৰ, অগ্ৰিমধন আৰু আপোনাৰ ইএমআই ঋণ একাউন্টত আদায় নিদিয়াকৈ থকা যিকোনো মূলধন আদিও কাৰক হব।

6) ইএমআই একাউন্টৰ বাবে, বিৱৰণৰ নমুনাস্বৰূপ প্ৰতিলিপি অনুগ্ৰহ কৰি তলত চাওক। ইএমআই একাউন্টৰ ক্ষেত্ৰত আমাৰ বিলিং প্ৰক্ৰিয়া কেনে ধৰণৰ তাক বুজাত ই সহায় কৰিব।



7) প্ৰতি মাহতে আপুনি দিবলগীয়া ন্যূনতম পৰিমাণৰ সৈতে ইএমআই যোগ দিয়া হব তথা উল্লেখিত দেয় তাৰিখ পৰ্যন্ত ন্যূনতম পৰিমাণ পূৰাকৈ আদায় নিদিয়াকৈ থকাৰ ক্ষেত্ৰত জৰিমনা লোৱা হব। ইএমআই আৰু সেয়ে ন্যূনতম দেয় পৰিমাণ আপোনাৰ ক্ৰেডিট কাৰ্ডৰ সীমাৰ এটা অংশ হব। যদিহে আপোনাৰ বাকী ৰোৱা পৰিমাণ (ইএমআই-সহ) ক্ৰেডিট সীমাতকৈ বেছি হৈ পৰে, তেন্তে আপুনি প্ৰযোজ্য অনুসাৰে অ'ভাৰ লিমিট শুল্ক ভৰিবলৈ দায়ী হৈ ৰব।

8) এই বিশেষ প্ৰচাৰমূলক অফাৰ কেৱল কাৰ্ড মেম্বাৰ বছাৰ বাবেহে। কাৰ্ড মেম্বাৰ একমাত্ৰ ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্ক (বেঙ্ক)-ৰ বিবেচনাধীনত বছা হব। বেঙ্কে ইয়াৰ ইচ্ছানুযায়ী ভৱিষ্যতে এনে অফাৰ আগবঢ়াবও পাৰে, নবঢ়াবও পাৰে।

9) আপোনাৰ ক্ৰেডিট কাৰ্ডৰ মাহেকীয়া বিৱৰণত ঋণৰ পৰিমাণ, প্ৰযোজ্য সুদ, প্ৰচেচিং ফিজ আৰু সেৱা কৰ (ইএমআই-ৰ সুদৰ অংশৰ ওপৰত) আদিৰ উল্লেখ বিল কৰা হব।

10) বেঙ্কে যিকোনো সময়তে সমস্ত বা যিকোনো নিয়ম আৰু চৰ্তত কোনো কথা যোগ দিবলৈ, হেৰফেৰ কৰিবলৈ, ৰূপান্তৰিত বা পৰিবৰ্তন বা বেলেগ কৰিবলৈ অথবা এই যোজনাখনৰ একে ধৰণৰ বা বেলেগ ধৰণৰ আন এখন যোজনাৰ দ্বাৰা এই যোজনাখন পূৰাকৈ বা আংশিক ভাবে বদলাবলৈ অথবা ইয়াক সম্পূৰ্ণৰূপে প্ৰত্যাহাৰ কৰিবলৈ অধিকাৰ সংৰক্ষিত ৰাখিছে।

11) সময় উকলি যোৱালৈকে আগৰ ধন পৰিশোধ নকৰিলে বা কাৰ্ডখন ৰদ কৰাৰ ক্ষেত্ৰত ঋণ ৰোধ কৰিবলৈ আৰু বাকী ৰোৱা সম্পূৰ্ণ ধন ডেবিট কৰিবলৈ ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্কে অধিকাৰ সংৰক্ষিত ৰাখিছে।

12) এই যোজনাখনৰ ফলস্বৰূপে অংশগ্ৰহণকাৰীয়ে কৰা, ভোগা বা সন্মুখীন হোৱা কোনো কাৰ্য, দাবী, অভিযাচন, লোকচান, ক্ষতি, খৰচ, মাচুল আদিৰ বাবে অংশগ্ৰহণকৰীয়ে ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্কক জগৰীয়া বা দায়ী কৰিব নোৱাৰিব।

13) আপোনাৰ ষ্টেণ্ডাৰ্ড চাৰ্টাৰ্ড বেঙ্ক ক্ৰেডিট কাৰ্ড সকলো কিস্তি লোৱাৰ আগতেই যদি বন্ধ কৰি দিয়া হয় বা আপোনাৰ ইএমআই একাউন্ট আগতীয়াকৈ বন্ধ কৰা হয়, তেন্তে বাকী ৰোৱা ঋণৰ পৰিমাণ আৰু লগতে সময়পূৰ্বে-সমাপ্তি শুল্ক একেলগ কৰি আপোনাৰ ক্ৰেডিট কাৰ্ডত ডেবিট কৰা হব। তাৰ পাছত ইয়াক আপোনাৰ কাৰ্ড একাউন্টত অপ্ৰাপ্ত ধন ৰূপে বিবেচনা কৰা হব আৰু তাৰ বাবদ কোনো ধন আদায় নিদিলে / আংশিকভাবে দিলে মাচুল লোৱা হব (ক্ৰেডিট কাৰ্ডত প্ৰযোজ্য নিয়ম আৰু চৰ্ত অনুযায়ী)।

14) ইয়াত থকা কোনো কথাই কাৰ্ড মেম্বাৰ চুক্তিৰ নিয়ম আৰু চৰ্তসমূহত প্ৰতিকূল প্ৰভাব পেলাব নোৱাৰিব বা আন ধৰণেৰে তাত প্ৰভাব পেলাব নোৱাৰিব। এই চুক্তিৰ চৰ্তসমূহ বেঙ্কৰ কাৰ্ড মেম্বাৰ নিয়ম আৰু বিনিয়মৰ সংযোজনৰূপেহে দিয়া হৈছে, তাক খৰ্ব কৰাৰ বাবে নহয়।

15) ঋণ, সুদৰ হাৰ, প্ৰযোজ্য মাচুল, বা নিয়ম আৰু চৰ্ত আদিৰ বিৱৰণত আপুনি সন্মত নোহোৱাৰ ক্ষেত্ৰত, আপুনি 15 দিনৰ ভিতৰত বেঙ্কৰ হেল্পলাইনলৈ ফোন কৰি ঋণ নাকচ কৰিব লাগিব, অন্যথাই আপুনি ঋণ আৰু ইয়াত থকা নিয়ম আৰু চৰ্তসমূহ গ্ৰহণ কৰিছে বুলি ধৰি লোৱা হব আৰু সেয়ে ডিমাণ্ড ড্ৰাফ্‌টৰ তাৰিখৰ পৰা বিতৰণ কৰা পৰিমাণৰ ওপৰত সুদ ভৰিবলৈ আপুনি বাধ্য থাকিব।

16) তাৰপাছত কোনো স্বেচ্ছাকৃত নাকচকৰণ গ্ৰাহ্য কৰা নহব।

17) আপোনাৰ ইএমআই একাউন্টৰ সময়পূৰ্বে-সমাপ্তি ঘটাবলৈ, হেল্প লাইন নম্বৰলৈ অনুগ্ৰহ কৰি ফোন কৰক।